**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-03-2026 **Time :** 1100 Hrs.

———আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। এই তালিকাত ভালেসংখ্যক নতুন প্ৰাৰ্থীৰ নাম সন্নিবিষ্ট হোৱাৰ লগতে কেইবাগৰাকীও বিধায়কৰ নাম বাদ পৰিছে। শাসনাধিষ্ঠিত বিজেপিয়ে ইতিমধ্যে প্ৰকাশ কৰা ৮৮ জনীয়া প্ৰাৰ্থী তালিকাত বৰ্তমানৰ কেবিনেট মন্ত্ৰী তথা হাফলঙৰ বিধায়ক নন্দিতা গাৰ্লোচা, অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মোমিনকে ধৰি ১৯ গৰাকী বিজেপি বিধায়কৰ নাম অন্তৰ্ভুক্ত কৰা হোৱা নাই।

এই তালিকা অনুসৰি জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। লোকসভাৰ প্ৰাক্তন সাংসদ ডাঃ ৰাজদীপ ৰয়ে শিলচৰৰ পৰা, ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰামেশ্বৰ তেলীয়ে দুলীয়াজানৰ পৰা, বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ পৰা আৰু বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিব।

ইপিনে, অসম গণ পৰিষদ দলেও ২৬টা সমষ্টিৰ বাবে প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। এই তালিকাত অৱশ্যে দলটোৰ বৰ্তমানৰ ৯ গৰাকী বিধায়কৰ ৫ গৰাকীয়েহে পুনৰ প্ৰাৰ্থিত্ব লাভ কৰিছে।

ইফালে, কংগ্ৰেছ দলে প্ৰকাশ কৰা তৃতীয়খন প্ৰাৰ্থী তালিকাত মুঠ ২২টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বি পি এফ দলে ইয়াৰ ১১ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। এ আই ইউ ডি এফেও ছজনীয়া প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে।

ইউ পি পি এলে কালি ৫ জন প্ৰাৰ্থীৰ নাম সম্বলিত তৃতীয়খন তালিকা প্ৰকাশ কৰে।

০০০০০০০

———সমাগত বিধানসভা নিৰ্বাচনৰ বাবে আজি বিভিন্ন প্ৰাৰ্থীয়ে নিজ নিজ সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জালুকবাৰী সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিব। ইফালে, কালি ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত সাতটা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰা হয়। ইয়াৰ ভিতৰত ৰূপহীহাট, যোৰহাট আৰু বোকাখাট সমষ্টিৰ পৰা তিনিগৰাকী প্ৰাৰ্থীয়ে দুখনকৈ মনোনয়নপত্ৰ দাখিল কৰাৰ ফলত মুঠ মনোনয়ন পত্ৰৰ সংখ্যা ১০ হয়। ইয়াৰে মন্দিয়া, কমলপুৰ, বোকাখাত, ডিফু, দক্ষিণ কৰিমগঞ্জ সমষ্টিত এখনকৈ আৰু ৰূপহীহাট, যোৰহাট আৰু বোকাখাট সমষ্টিত দুখনকৈ মনোনয়ন পত্ৰ দাখিল কৰা হয়। উল্লেখযোগ্য যে, অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিল অন্তিম দিন।

০০০০০০০

ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলাত সংশ্লিষ্ট প্ৰশাসনে নিৰাপত্তাকে ধৰি সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। তামুলপুৰ জিলা প্ৰশাসনে ৯ এপ্ৰিলত হ'বলগীয়া তামুলপুৰ আৰু গোৰেশ্বৰ সমষ্টিৰ ভোটগ্ৰহণ নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা আয়ুক্ত তথা নিৰ্বাচনী বিষয়া চিমি কৰণে কালি আয়োজিত এখন সংবাদমেলত কয়, যে জিলাখনত সৰ্বমুঠ

৪৮২ টা ভোটগ্ৰহণকেন্দ্ৰ স্থাপন কৰা হৈছে। ৪ লাখ ১৯ হাজাৰ ৩০ গৰাকী ভোটদাতা থকা সমষ্টিটোত ৫৫ টা কেন্দ্ৰক স্পৰ্শকাতৰৰূপে চিনাক্ত কৰা হৈছে। এই নিৰ্বাচন সুচাৰুৰূপে পৰিচালনাৰ বাবে দুহেজাৰ ৩১৬ গৰাকী বিষয়া নিয়োগ কৰা হৈছে।

গোৱালপাৰা জিলা আৰক্ষীয়েও জিলাখনত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। গোৱালপাৰা জিলাত মুঠ এহেজাৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে যদিও ইয়াৰে ৭২ টা অসম-মেঘালয় সীমান্ত অঞ্চলত আছে। ইয়াৰে জলেশ্বৰ সমষ্টিৰ তিনিটা, গোৱালপাৰা পশ্চিম সমষ্টিৰ ৩৩টা আৰু দুধনৈ সমষ্টিৰ ৩৬ টা ভোটগ্ৰহণ কেন্দ্ৰ অসম-মেঘালয় সীমান্তৰ দুৰ্গম অঞ্চলত অৱস্থিত। আনহাতে ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলত ৪৮ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে জলেশ্বৰ সমষ্টিৰ ৩৭ টা আৰু গোৱালপাৰা পূব সমষ্টিৰ ১১ টা ভোটগ্ৰহণ কেন্দ্ৰ নৈপৰীয়া তথা দুৰ্গম চৰাঞ্চলত অৱস্থিত। এনে ভোটগ্ৰহণ কেন্দ্ৰ থকা অঞ্চলসমূহত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। স্থলপথৰ লগতে জলপথসমূহতো আৰক্ষীয়ে যন্ত্ৰচালিত নাৱেৰে পহৰাৰ ব্যৱস্থা কৰিছে।

০০০০০০০

নিৰ্বাচনী স্বচ্ছতা নিশ্চিত কৰিবলৈ যোৰহাট নিৰ্বাচনী জিলাৰ তিতাবৰ আৰু মৰিয়নি বিধানসভা সমষ্টিত বিভিন্ন প্ৰান্তত জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। নিৰ্বাচনী আঁচৰণবিধি বলৱৎ কৰাৰ উদ্দেশ্যে সমষ্টি দুটাৰ কৌশলগত স্থানসমূহত বিভিন্ন নিৰীক্ষণ গোট মোটায়েন কৰা হৈছে। এই গোটসমূহে মৰিয়নি আৰু তিতাবৰ বিধানসভা সমষ্টিৰ সীমান্তৱৰ্তী অঞ্চল তথা গুৰুত্বপূৰ্ণ স্থানসমূহত নিয়মীয়া তালাচী অভিযান তীব্ৰতৰ কৰি তোলাৰ বাতৰি আহিছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতত দৈনন্দিন বিচাৰ প্ৰক্ৰিয়া পৰিচালনাৰ বাবে বাক্সাৰ জিলা ন্যায়াধীশ হিচাপে বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা শৰ্মিলা ভূঞাক মনোনিত কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই নিৰ্ণায়ক পদক্ষেপে ন্যায়িক প্ৰক্ৰিয়াক ত্বৰান্বিত কৰি যথোচিত ন্যায় সুনিশ্চিত কৰিব বুলি আশা কৰা হৈছে। এতিয়াৰে পৰা গোচৰটোৰ দৈনিক শুনানি অনুষ্ঠিত হ'ব বুলি ড০ শৰ্মাই কয়।

উল্লেখযোগ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেচন আদালতত কালিৰে পাৰ অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰু সন্দৰ্ভত শুনানি অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰে নিয়োগ কৰা বিশেষ লোক অধিবক্তাৰ দলে অভিযুক্তসকলৰ ওপৰত আৰোপ কৰা গোচৰৰ বিভিন্ন ধাৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰে। আজি পুনৰ এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। ইপিনে অভিযুক্ত সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাই এই গোচৰৰ পৰা ৰেহাই বিচাৰি আদালতত আবেদন দাখিল কৰিছে। এই আবেদন সন্দৰ্ভতো আজি শুনানি গ্ৰহণ কৰা হ'ব। অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাই গোচৰৰ যাৱতীয় নথিপত্ৰ লাভ নকৰা বুলি কালি আদালতত আবেদন দাখিল কৰে। কিন্তু নথিপত্ৰ পৰীক্ষণৰ বাবে পূৰ্বে যথেষ্ট সময় দিয়াৰ পৰিপ্ৰেক্ষিতত আদালতে অভিযুক্ত মহন্তৰ অধিবক্তাৰ আবেদনখন খাৰিজ কৰে।

০০০০০০০

**সমাপ্ত**